# অসম বিধান সভা

## উত্তৰ দানৰ তাৰিখ – ০৭/০৭/২০২৬

**তৰা বিহীন প্ৰশ্ন নং : ৮৯**

বিষয় : জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আঁচনি সম্পৰ্কে।

বিধায়ক : শ্ৰীআবুল কালাম ৰশিদ আলম

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

(ক) অসমৰ বিভিন্ন জিলাত বৰ্তমান জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত থকা কিমানটা আঁচনি (PWSS) কাৰ্য্যক্ষম হৈ আছে আৰু কিমানটা বিকল হৈ আছে?

(খ) অসমত চলি থকা JJM Scheme ৰ কাম সমূহৰ কিমানটা সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে, এই Scheme সমূহ কিমানটা Scheme ৰ ঠিকাদাৰক Payment কৰা হৈছে আৰু কিমানটা বাকী আছে, বাকী থকা Payment (Bill) খিনি কিমান দিনৰ ভিতৰত বিভিন্ন ঠিকাদাৰ বা প্ৰতিষ্ঠানক আদায় দিব? তথ্য সহকাৰে জনাব?

(গ) গোৱালপাৰা পূব বিধান সভা সমষ্টিত JJM ৰ অধীনত কেইটা আঁচনি মেৰামতি কৰা হৈছে, কেইটাৰ কাম চলি আছে, ইয়াৰে কোন কোন Scheme শেষ হৈছে আৰু কোন কোন Scheme কোন কোন ঠিকাদাৰক দিয়া হৈছে? ঠিকা দিয়া নিয়ম Guidline সহ তথ্য সহকাৰে জনাব।

(ঘ) JJM ৰ অধীনত গোৱালপাৰা পূব সমষ্টিত নতুনকৈ কিমানটা Scheme ৰ Proposal পঠোৱা হৈছে আৰু সেই Scheme সমূহ কেতিয়া Approval দিয়া হ'ব? তথ্য সহকাৰে জনাব?

(ঙ) বৰ্তমান অসমত কিমান শিক্ষানুষ্ঠান আৰু অঙ্গনবাদী কেন্দ্ৰ JJM ৰ অধীনত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে আৰু কিমান বাকী আছে? বাকী থকা সমূহত কেতিয়া পানী যোগানৰ ব্যৱস্থা কৰিব? তথ্য সহকাৰে জনাব?।

(চ) অসমত বিভিন্ন পানী যোগান আঁচনিৰ কিমানজন জলমিত্ৰ লোৱা হৈছে? এই জলমিত্ৰ মাহিলী দৰমহা কিমান দিয়া হয়? এই জলমিত্ৰ সমূহৰ চাকৰি স্থায়ীকৰণ কৰা হ'ব নেকি? যদি কৰে, কেতিয়া কৰিব আৰু যদি নকৰে, কিয়? তথ্য সহকাৰে জনাব।

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব।**

(ক) অসমৰ বিভিন্ন জিলাত বৰ্তমান জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত থকা ১৫৪০০ টা আঁচনি (PWSS) কাৰ্য্যক্ষম হৈ আছে আৰু ৪১৮৫ টা বিকল হৈ আছে । বন্ধ হৈ থকা ৪১৮৫ খন আঁচনিৰ ভিতৰত সাধাৰণ এলেকাৰ অধীনত ২৮৩৩ খন আঁচনি আৰু ৬ষ্ঠ অনুসূচীৰ এলেকাৰ অধীনত ১৩৫২ খন আঁচনি আছে।

(খ) অসমত চলি থকা JJM Scheme ৰ কাম সমূহৰ ১৯৮৫৯ টা সম্পূৰ্ণ হৈছে আৰু ৭৬৭১ টা বাকী আছে, এই Scheme সমূহৰ ২৬৪০১ টা Scheme ৰ ঠিকাদাৰক Payment কৰা হৈছে আৰু ৯৭৯ টা বাকী আছে, কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত ধন পোৱাৰ ওপৰত ভিত্তি কৰি পৰ্যায় ক্ৰমে ঠিকাদাৰৰ পাবলগীয়া ধন পৰিশোধ কৰা হ'ব।

(গ) সাধাৰণতে জল-জীৱন মিছন ২.০ (JJM 2.0) ৰ অধীনত আঁচনি সমূহ মেৰামতিৰ বাবে সমগ্ৰ অসমৰ কোনো এখন জিলাতেই কোনোধৰণৰ ব্যৱস্থা নাই, গতিকে গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ ক্ষেত্ৰতো আঁচনি মেৰামতিৰ বাবে কোনো ব্যৱস্থা নাই । তথাপিও পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ Tied Fund (15th FC) ৰ জৰিয়তে আৰু Construction committee ৰ যোগেদি সৰু সুৰা মেৰামতিৰ (Minor repairing) কাম সময়ে সময়ে কৰি থকা হৈছে।

(ঘ) জল-জীৱন মিছন (JJM) ২.০ ৰ নতুন নিৰ্দেশনা অথবা SOPD ৰ বিধান অনুসৰি নতুন Scheme ৰ Proposal ৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(ঙ) বৰ্তমান অসমত ৪২২১৭ শিক্ষানুষ্ঠান আৰু ৩৩৯৮৮ অংগনৱাদী কেন্দ্ৰ JJM ৰ অধীনত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে আৰু ২৩১৩ শিক্ষানুষ্ঠান আৰু ৩৫৩১ অংগনৱাদী বাকী আছে। পানী যোগানৰ ব্যৱস্থা ২০২৮ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত ব্যৱস্থা কৰিব । তথ্য সমূহ সাৰ্বজনীন ক্ষেত্ৰত website ejalshakti.com Module No.26 ত উপলব্ধ আছে ।

(চ) অসমত বিভিন্ন পানী যোগান আঁচনিত ১৯৯১৬ জন জলমিত্ৰ লোৱা হৈছে। জলমিত্ৰসকলে মাহিলী ৬,৫০০ টকা পাৰিশ্ৰমিক লাভ কৰে। ৰাজ্যিক বাজেট ২০২৫-২৬ অনুসৰি, স্বচ্ছ আৰু ODF+ গাঁওসমূহৰ বাৰ্তা প্ৰচাৰ তথা জন সচেতনতা বৃদ্ধিৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰি জলমিত্ৰৰ ভূমিকা "স্বচ্ছ জলমিত্ৰ" হিচাপে পুনৰ নিৰ্ধাৰণ কৰা হৈছে। সেই অনুসৰি তেওঁলোকৰ মাহিলী পাৰিশ্ৰমিক ১,০০০ টকা বৃদ্ধি কৰি মুঠ ৭,৫০০ টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰযোজ্য নিৰ্দেশনা অনুসৰি ৰাজহুৱা পানী যোগান আঁচনি (PWSS)-ৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণ (O&M)-ৰ বাবে হিতাধিকাৰীৰ পৰা সংগ্ৰহ কৰা শুল্কৰ সৰ্বাধিক ২৫ শতাংশ পৰ্যন্ত প্ৰণোদনা স্ব-জলমিত্ৰসকলে লাভ কৰাৰ যোগ্য। ৩১/০৭/২০২৫ তাৰিখে গৃহিত মন্ত্ৰীপৰিষদৰ সিদ্ধান্ত অনুসৰি মৃত্যুবৰণ কৰা স্ব-জলমিত্ৰৰ নিকটতম আত্মীয়ক (Next of Kin), ৫.০০ লাখ টকাৰ এককালীন আৰ্থিক সাহায্য (Ex-Gratia Assistance) প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। জলমিত্ৰসকলক পানী উপভোক্তা সমিতিয়ে নিযুক্তি দিয়ে। জলমিত্ৰসকলৰ নিযুক্তি যিহেতু স্বেচ্ছামূলক, সেয়েহে জন স্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰা তেওঁলোকৰ নিযুক্তিৰ বিষয় বিবেচনা কৰা হোৱা নাই।

| Sl No | Completed Schemes | Ongoing Schemes |
|---|---|---|
| | No. of Schemes with aleast one Online Fund Sanctioned Bill | No. of Schemes with aleast one Online Fund Sanctioned Bill |
| 1 | 19844 | 6557 |

Chief Engineer (PHE) Water, Assam
Cum
Additional Mission Director, JJM
Government of Assam
Hengrabari, Guwahati-36

| District Name | Completed | Handed Over | Functional | Partially Functional | Non Functional |
|---|---|---|---|---|---|
| Bajali | 146 | 145 | 45 | 64 | 36 |
| Baksa | 438 | 438 | 202 | 46 | 190 |
| Barpeta | 493 | 491 | 324 | 60 | 107 |
| Biswanath | 643 | 642 | 504 | 68 | 70 |
| Bongaigaon | 428 | 428 | 367 | 20 | 41 |
| Cachar | 1072 | 1059 | 952 | 20 | 87 |
| Charaideo | 246 | 246 | 202 | 43 | 1 |
| Chirang | 391 | 389 | 299 | 10 | 80 |
| Darrang | 645 | 645 | 294 | 142 | 209 |
| Dhemaji | 820 | 816 | 703 | 51 | 62 |
| Dhubri | 548 | 548 | 344 | 62 | 142 |
| Dibrugarh | 636 | 636 | 424 | 60 | 152 |
| Dima Hasao | 463 | 412 | 364 | 9 | 39 |
| Goalpara | 979 | 974 | 754 | 96 | 124 |
| Golaghat | 894 | 884 | 687 | 70 | 127 |
| Hailakandi | 493 | 486 | 340 | 25 | 121 |
| Hojai | 393 | 392 | 299 | 38 | 55 |
| Jorhat | 231 | 228 | 202 | 8 | 18 |
| Kamrup | 922 | 913 | 464 | 151 | 298 |
| Kamrup Metro | 50 | 44 | 31 | 3 | 10 |
| Karbi Anglong | 396 | 371 | 249 | 29 | 93 |
| Kokrajhar | 857 | 851 | 359 | 69 | 423 |
| Lakhimpur | 1171 | 1169 | 834 | 85 | 250 |
| Majuli | 250 | 235 | 197 | 4 | 34 |
| Morigaon | 382 | 377 | 134 | 105 | 138 |
| Nagaon | 949 | 930 | 540 | 168 | 222 |
| Nalbari | 526 | 525 | 273 | 193 | 59 |
| Sivasagar | 658 | 658 | 540 | 77 | 41 |
| Sonitpur | 811 | 808 | 510 | 89 | 209 |
| South Salmara Mancachar | 225 | 223 | 92 | 100 | 31 |
| Sribhumi | 577 | 576 | 413 | 57 | 106 |
| Tamulpur | 399 | 399 | 224 | 11 | 164 |
| Tinsukia | 601 | 596 | 437 | 76 | 83 |
| Udalguri | 965 | 915 | 506 | 97 | 312 |
| West_Karbi_Anglon | 161 | 136 | 75 | 10 | 51 |
| **Total** | **19859** | **19585** | **13184** | **2216** | **4185** |

Chief Engineer (PHE)
Assam, Guwahati-36